**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-02-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
**--------------------**

কংগ্ৰেছ সাংসদ ৰকিবুল হুছেইনক দুৰ্বৃত্তই আক্ৰমণ কৰাৰ ঘটনাক লৈ সৃষ্টি হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি অসম বিধানসভাৰ কাৰ্যক্ৰমণিকা দুবাৰকৈ স্থগিত ৰাখিবলগীয়া হয়। পুৱা সদন মিলিত হোৱাৰ সময়ত কংগ্ৰেছৰ বিধায়কসকলে এই ঘটনা সন্দৰ্ভত সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰে। অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে এই ঘটনাৰ বিষয়ত পৰৱৰ্তী সময়ত আলোচনা কৰা হ'ব বুলি উল্লেখ কৰি সদনৰ কাম-কাজ চলাই নিয়াত সহযোগিতা আগবঢ়াবলৈ বিৰোধী সদস্যসকলক আহ্বান জনায়। বিৰোধী সদস্যসকলে এই ঘটনাৰ সৈতে ৰাষ্ট্ৰীয় সুৰক্ষাৰ বিষয় জড়িত হৈ আছে বুলি উল্লেখ কৰি হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে। পাছত অধ্যক্ষই দহ মিনিটৰ বাবে সদনৰ কাম-কাজ স্থগিত ৰাখে। সদন পুনৰ মিলিত হোৱাৰ সময়ত ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে কংগ্ৰেছ সাংসদ ৰকিবুল হুছেইনক আক্ৰমণৰ বিষয়টো সদনত উত্থাপন কৰে। কংগ্ৰেছৰ সদস্যসকলে ইয়াৰ প্ৰতি সমৰ্থন আগবঢ়ায়। বিৰোধী সদস্যসকলে হুলস্থূলীয়া পৰিস্থিতি অব্যাহত ৰখাৰ পৰিপ্ৰেক্ষিতত অধ্যক্ষই পুনৰ পাঁচ মিনিটৰ বাবে সদনৰ কাৰ্যক্ৰমণিকা স্থগিত ৰাখে।

সদন পুনৰ মিলিত হোৱাৰ সময়ত মন্ত্ৰী কেশৱ মহন্তই ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ কৰ্তন প্ৰস্তাৱ উত্থাপন কৰে যদিও পৰিস্থিতি উন্নত নোহোৱাত এই বিষয়ে আলোচনা কৰিব পৰা নহ'ল। কংগ্ৰেছৰ সদস্যসকলে এগৰাকী জনপ্ৰতিনিধিক দিনদুপৰতে আক্ৰমণ ঘটনাক উদ্বেগজনক বুলি উল্লেখ কৰি বিষয়টোলৈ আলোচনা কৰাৰ দাবীত অটল হৈ থাকে। অধ্যক্ষই গৃহ বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা সম্প্ৰতি সদনত অনুপস্থিত থকাৰ বাবে এই বিষয়টোক লৈ পৰৱৰ্তী সময়ত আলোচনাৰ প্ৰস্তাৱ আগবঢ়ায়।

ইপিনে, আৰক্ষীয়ে কংগ্ৰেছ সাংসদ ৰকিবুল হুছেইনৰ ওপৰত কালি হোৱা আক্ৰমণত ঘটনাৰ সৈতে জড়িত ব্যক্তিসকলক চিনাক্ত কৰিছে। আক্ৰমণকাৰীসকলৰ ভিতৰত জামতোলাৰ হাৰুণ, ফাকুলিৰ হৰেশ, তামুলিতুপৰ বচীৰ, কাৰৈমাৰীৰ ৰচিদুল, গুণাবাৰীৰ আয়ুব, ৰে'ল ষ্টেচনৰ লুটকৈৰ, ৰৌমাৰীৰ খালেক, কোচগাঁৱৰ জাহাংগীৰ আছে। আৰক্ষীয়ে আইন অনুযায়ী এই অভিযুক্তসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব।

০০০০০০০

মাজুলী জিলা কৃষি বিভাগৰ উদ্যোগত আজিৰে পৰা অহা ২৫ ফেব্ৰুৱাৰীলৈকে বিভিন্ন গাঁও পঞ্চায়ত কৃষক পঞ্জীয়ন শিবিৰ অনুষ্ঠিত হ'ব। কৃষি বিভাগৰ যিকোনো আঁচনিৰ সুবিধা লাভ কৰিবপৰাকৈ জিলাখনত কমলাবাৰী, দক্ষিণ কমলাবাৰী, বনগাঁও, কৰতীপাৰ, শ্ৰীলুইত, চিলাকলা, গড়মূৰ, পকাজৰা, জেঙৰাই, চেৰপাই, লুইতপৰীয়া, ৰতনপুৰ মিৰি, শ্ৰীৰাম, ফুলনি আৰু ৰঙাশ্বাহী গাঁও পঞ্চায়তৰ কৃষকসকলৰ বাবে এই শিবিৰ মুকলি কৰা হৈছে।

০০০০০০০

বিহু আৰু ঝুমুৰৰ পাছতে বাগৰুম্বা নৃত্যৰ অভিলেখ গঢ়াৰ বাবে ৰাজ্য চৰকাৰে চলিত বছৰতে পদক্ষেপ গ্ৰহণ কৰিব। খানাপাৰা এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ প্ৰস্তুতিৰ বুজ লৈ সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই এই কথা সদৰী কৰে। অসমৰ নৃত্যক ৰাষ্ট্ৰীয় পৰ্যায়ত চিনাকী কৰি দিয়াৰ এই পৰিকল্পনা ব্যক্তি কৰি তেওঁ কয়, যে অহা অক্টোবৰৰ পৰা ডিচেম্বৰৰ ভিতৰত এই কাৰ্যসূচীৰ আয়োজন কৰা হ'ব। ইয়াৰ পিছৰ পৰ্যায়ত ৰাজ্যৰ ১ কোটি লোকক লৈ একেলগে জাতীয় সংগীত পৰিৱেশনৰো পৰিকল্পনা কৰিছে বুলি তেওঁ ব্যক্ত কৰে।

উল্লেখযোগ্য যে, অসমৰ চাহৰ ২০০ বছৰীয়া চহকী ঐতিহ্য উদযাপনৰ উদ্দেশ্যে আয়োজন কৰা **ঝুমইৰ বিনন্দিনী** অনুষ্ঠানৰ বাবে সৰুসজাইত আজিৰে পৰা কেন্দ্ৰীয়ভাৱে আখৰা অনুষ্ঠিত হ'ব। ইতিমধ্যে এই অনুষ্ঠানত অংশলোৱাৰ উদ্দেশ্যে চৰাইদেউ, লখিমপুৰ, ডিব্ৰুগড় আদিকে ধৰি বিভিন্ন জিলাৰ পৰা ঝুমুৰ নৃত্যৰ শিল্পীসকল আহি গুৱাহাটীত বাহৰ পাতিছে।

০০০০০০০

আজি আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস। ইউনেস্কোৱে ১৯৯১ চনৰ ১৭ নৱেম্বৰত দিয়া প্ৰস্তাৱ অনুসৰি ভাষিক-সাংস্কৃতিক বৈচিত্ৰ্য আৰু বহুভাষাবাদৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতি বছৰে ২১ ফেব্ৰুৱাৰীৰ দিনটো আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা হিচাপে পালন কৰি অহা হৈছে। এই দিনটোতে পশ্চিম পাকিস্তান চৰকাৰে পূব পাকিস্তান বৰ্তমানৰ বাংলাদেশৰ মাতৃভাষা বাংলাৰ পৰিৱৰ্তে উৰ্দু ভাষা প্ৰচলনৰ প্ৰতিবাদৰ সময়ত আৰক্ষীৰ গুলীচালনাত ছাত্ৰকৰ্মী শ্বহীদ হৈছিল। এই দিনটোৰ স্মৰণতে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই গ্ৰহণ কৰা প্ৰস্তাৱ অনুযায়ী ২০০০ চনৰ পৰা ২১ ফেব্ৰুৱাৰীৰ দিনটো আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস হিচাপে পালন কৰা হৈছে।

জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত ধ্ৰুপদী অসমীয়া ভাষীসকলৰ লগতে ৰাজ্যৰ অন্যান্য ভাষা-ভাষীসকলক শুভেচ্ছা জ্ঞাপন কৰিছে। মন্ত্ৰীগৰাকীয়ে এই বিশেষ দিনটোত ভাৰতৰ অনৈক্যৰ মাজত ঐক্যৰ প্ৰতীকৰূপী অগণন ভাষাৰ সংৰক্ষণৰ লগতে মাতৃভাষাক সুদৃঢ় আৰু বিকশিত কৰি তোলাৰ বাবে সংকল্প লববলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

০০০০০০০

সমাপ্ত